পাঠ ১৪

E9E5E5

ষ্ম শ্ম

# ঋতু আহে ঋতু যায়





চ'ত-ব'হাগত ঋতু বসন্ত
বিৰিখে সলায় পাত,
জেঠ-আহাৰত গ্ৰীষ্ম ঋতু
ফল পকে নানা জাত।



শাওণ-ভাদত বৰ্ষা ঋতু
খেতিৰ বাবে ভাল,
আহিন-কাতিত শৰৎ ঋতু
ভৰে শেৱালিৰ ডাল।




আঘোণ-পুহত ঋতু হেমন্ত
নিয়ৰ-কুঁৱলী পৰে,
মাঘ-ফাগুনত শীত ঋতু
গছৰ পাত সৰে।

 পদ্যটো আবৃত্তি কৰা।

 পদ্যটোৰ কথাখিনি তোমাৰ নিজৰ কথাত কোৱা।

 কওঁ আহা



- মাঘ বিহু কোনটো ঋতুত হয়?
- গ্ৰীষ্ম ঋতু কেতিয়া হয়?
- বৰষুণৰ বতৰত তোমাৰ কি কি ভাল লাগে?
- জহকালি তোমাৰ কি কি বেয়া লাগে?

 যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

ৰশ্মি    শ্ম = শ + ম    শই মই শ্ম

ষ্ম    ষ + ম    ষই মই    ষ্ম - গ্ৰীষ্ম, ভীষ্ম


শ্ম    শ + ম    শই মই    শ্ম - শ্মশান, কাশ্মীৰ

 যুক্তাক্ষৰ গঠন কৰোঁ আহা

ষ + ম    ষই মই    ষ্ম

শ + ম    শই মই    শ্ম

 পঢ়োঁ আহা



গ্ৰীষ্ম    ভীষ্ম    উষ্ম    উষ্মা

ৰশ্মি    শ্মশান    কাশ্মীৰ    কাশ্মীৰী

☞ *শিকাৰুৱে আবৃত্তি কৰোঁতে ভুল হোৱা শব্দৰ উচ্চাৰণসমূহ চিনাক্ত কৰি তাৰ শুদ্ধ উচ্চাৰণৰ অভ্যাস একাধিকবাৰ কৰাব।*

## শেষৰ আখৰ মিল থকা শব্দ আঁচ টানি মিলোৱা।

| | |
|---|---|
| আঘোণ | ডাল |
| পাত | সৰে |
| ভাল | জাত |
| বসন্ত | মৃৎ |
| পৰে | উষ্ম |
| গ্ৰীষ্ম | নিয়ৰ |
| আহাৰ | হেমন্ত |
| শৰৎ | শাওণ |





## কোন ঋতুত কি কি মাহ?

| ঋতু | মাহ |
|---|---|
| গ্ৰীষ্ম | জেঠ, আহাৰ |
| বৰ্ষা | |
| শৰৎ | |
| হেমন্ত | |
| শীত | |
| বসন্ত | |



☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

যুক্তাক্ষৰ ভাঙা।

শ্ম ..................................... ন্ত .....................................

ষ্ম ..................................... ৰ্ষ .....................................

ব্ধ ..................................... ল্ল .....................................

শব্দ গঠন কৰি বাক্য সাজা।

| শব্দ | বাক্য |
| --- | --- |
| শ্ম | ..................................... |
| ষ্ম | ..................................... |
| ন্ত | ..................................... |
| ৰ্ষ | ..................................... |

তোমাৰ ভাল লগা এখন ছবি আঁকা।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## লিখা।

বসন্তকালত গছে পাত ..........সলায়.......... ।
শীতকালত গছৰ পাত .............................. ।
শৰৎকালত শেৱালি ফুল .............................. ।
হেমন্তকালত .............................. পৰে।
গ্ৰীষ্মকালত .............................. পৰে।

## ভাবি কোৱা।

(ক) ওপৰৰ পৰা পৰিল টেকেলি
টেকেলিৰ ভিতৰত এশ ভেকুলী।

(খ) ৰজাৰ ঘৰৰ ক'লী গাই
ঘাটে ঘাটে পানী খায়।

(গ) আগ তিতা গুৰি মৌ
কি খাবি মানিকী বৌ।

(ঘ) ৰ'দ আৰু বৰষুণ
সকলোতে লাগে
ৰাতি আৰু দিনতো
থাকো ভাগে ভাগে,
গৰম-ঠাণ্ডাতো
সমানেই ল'বা
নানা ৰঙী বেশ মোৰ
সকলোতে পাবা।



☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

উদাহৰণত দেখুওৱাৰ দৰে ঋতু সম্পৰ্কীয় বাক্য লিখা।




গ্ৰীষ্ম ঋতুত গৰম বেছি।

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

চ'ত, ল'ৰা, ত'ত— এনেধৰণৰ অ'-কাৰ থকা শব্দ তোমাৰ পাঠ্যপুথিৰ পৰা সংগ্ৰহ কৰা আৰু নিজৰ বহীত লিখা।

*বাক্য লিখাত সহায় কৰিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

ছবিত দেখা কোনবোৰ বস্তু গ্ৰীষ্ম আৰু শীত ঋতুত ব্যৱহাৰ কৰিবা তালিকাত নাম লিখা।



| গ্ৰীষ্ম | শীত |
|---|---|
| | |

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী